# NSD NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 21-12-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে অসমৰ জনসাধাৰণক লগত লৈ ৰাজ্যখনক বহুদূৰ আগবঢ়াই নিবৰ বাবে তেওঁৰ চৰকাৰে সংকল্প গ্ৰহণ কৰিছে।

২। প্ৰধানমন্ত্ৰী মোদীয়ে আজি নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এম'নিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে গুৱাহাটীৰ বৰাগাঁওস্থিত ছহিদ স্মাৰক ক্ষেত্ৰৰ ছহিদ বেদীত পুষ্পাঞ্জলি তৰ্পণ কৰে আৰু লুইতৰ বুকুত পৰীক্ষা পে চৰ্চা কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

৩। বিশ্বৰ বিভিন্ন দেশত আজি দ্বিতীয় বিশ্ব ধ্যান দিৱস পালন কৰা হৈছে।

৪। বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে হোৱাটছএ'প একাউণ্ট হেক কৰা ঘোষ্ট পেয়াৰিং নামৰ এটা চাইবাৰ অভিযান সংক্ৰান্তত জনসাধাৰণলৈ সতৰ্কতা জাৰি কৰিছে।

*আৰু*

৫। ডুবাইত অনুষ্ঠিত পুৰুষৰ ১৯ বছৰ অনুৰ্ধ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত আজি পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০

অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত উন্নয়নৰ নতুন যুগৰ সূচনা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এম'নিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি এইদৰে মতপ্ৰকাশ কৰে। তেওঁ লগতে কয়, যে এই উন্নয়ন কেৱল এটা আৰম্ভণিহে। অঞ্চলটোৰ জনসাধাৰণক লগত লৈ অসমক আৰু বহুদূৰ আগবঢ়াই নিবৰ বাবে তেওঁৰ চৰকাৰে সংকল্প গ্ৰহণ কৰিছে। ছেমি কণ্ডাক্টৰ প্ৰকল্প আৰু বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত টাৰ্মিনেল ভৱনকে ধৰি বিভিন্ন বিষয়ক লৈ অসমৰ ৰাইজক অভিনন্দন জনোৱাৰ লগতে খেতিয়ক তথা চাহ বাগিচাৰ লোকসকলকৰ কল্যাণৰ হকে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে সকলো দিশৰ পৰা ৰাজ্যখন জাকত-জিলিকা হৈ উঠিব বুলিও আশা প্ৰকাশ কৰে। কৃষকসকলৰ কল্যাণৰ বাবে বিজেপি চৰকাৰেহে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে বুলিও তেওঁ লগতে মতপ্ৰকাশ কৰে।

উল্লেখযোগ্য যে, নামৰূপ সাৰ কাৰখানাৰ প্ৰস্তাৱিত ব্ৰাউনফিল্ড এম'নিয়া ইউৰিয়া প্ৰকল্পৰ উৎপাদন ক্ষমতা বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিকটন আৰু ইয়াৰ পৰা প্ৰতিদিনে দুহেজাৰ ২০০ মেট্ৰিকটন এম'নিয়া আৰু তিনি হাজাৰ ৮৫০ মেট্ৰিকটন ইউৰিয়া উৎপাদনৰ লক্ষ্য লোৱা হৈছে। ১০ হাজাৰ ৬০০ কোটি টকা ব্যয়েৰে ২০৩০ চনৰ ভিতৰত

কাৰ্যক্ষম হ'বলগীয়া এই প্ৰকল্পই ৰাজ্যখনক ঔদ্যোগিক দিশত লাভান্বিত কৰিব বুলি আশা কৰা হৈছে। এই প্ৰকল্পত অইল ইণ্ডিয়া লিমিটেডৰ পৰা প্ৰাকৃতিক গেছৰ যোগান ধৰাৰ লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ কৃষিজাত সামগ্ৰীৰ মূল বজাৰসমূহ শক্তিশালী কৰি তোলা হ'ব। ইউৰিয়া প্ৰকল্প ৰূপায়ণৰ ফলত ভাৰতৰ ইউৰিয়া আমদানি হ্ৰাস পোৱাৰ লগতে অসম আৰু উত্তৰ-পূবৰ ইউৰিয়াৰ প্ৰয়োজন পূৰণ হ'ব। এই প্ৰকল্পৰ আশে-পাশে অৰ্থনৈতিক কাম-কাজ বৃদ্ধি হোৱাৰ ফলত তিনি শতাধিক প্ৰত্যক্ষ আৰু সহস্ৰাধিক পৰোক্ষ নিয়োগ সৃষ্টি হ'ব বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰা আজিৰ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক আৰু অন্যান্য বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱাৰ ভাগতে গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ ২৫ গৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে, শিক্ষাৰ্থীসকলে সোধা বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে। পৰীক্ষাৰ সময়ত সৃষ্টি হোৱা মানসিক চাপ নিয়ন্ত্ৰণৰ বাবে শ্ৰীমোদীয়ে তেওঁলোকক পৰামৰ্শ দিয়ে। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি তৰ্পণ কৰে।

উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী মোদীয়ে কালি বিয়লি গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত টাৰ্মিনেল ভৱন উদ্বোধন কৰে। ৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে বাঁহ আৰু কপৌ ফুলৰ আৰ্হিত এই নতুন টাৰ্মিনেল ভৱনটো নিৰ্মাণ কৰা হৈছে। প্ৰায় এক লাখ ৪০ হাজাৰ বৰ্গমিটাৰ এলেকাজুৰি নিৰ্মাণ কৰা এই নতুন টাৰ্মিনেলটো বছৰি এক কোটি ৩০ লাখ যাত্ৰীক সেৱা আগবঢ়াব পৰাকৈ সজাই তোলা হৈছে। এই উপলক্ষে আয়োজিত জনসভাত দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে কয়, যে নতুন বিমান বন্দৰৰ টাৰ্মিনেল ভৱন নিৰ্মাণে অসমৰ লগতে উত্তৰ-পূবৰ বাবে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে কালি বিমানবন্দৰতে অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে।

০০০০

সমগ্ৰ বিশ্বতে আজি দ্বিতীয় বিশ্ব ধ্যান দিৱস পালন কৰা হৈছে। যোৱা বছৰ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ২১ ডিচেম্বৰৰ দিনটো বিশ্ব ধ্যান দিৱস হিচাপে ঘোষণা কৰিছিল। অন্তৰ্দৃষ্টি আৰু আভ্যন্তৰীণ শান্তিৰ প্ৰতীক এই দিনটো উত্তৰ গোলাৰ্ধৰ শীতকালীন সময়ৰ সৈতে ৰজিতা খুৱাই নিৰ্বাচন কৰা হৈছে।

বিশ্বৰ বিভিন্ন দেশৰ কূটনীতিবিদ, ৰাষ্ট্ৰসংঘৰ বিষয়া আৰু যোগ গুৰুসকলে কালি নিউয়ৰ্কত অৱস্থিত ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত **বিশ্ব শান্তি আৰু সম্প্ৰীতিৰ বাবে ধ্যান** শীৰ্ষক অনুষ্ঠানত অংশগ্ৰহণ কৰে। ভাৰতৰ আধ্যাত্মিক গুৰু শ্ৰী শ্ৰী ৰবিশংকৰে বিশ্বশান্তিৰ বাবে আয়োজিত এই অনুষ্ঠানৰ নেতৃত্ব দিয়ে। যুদ্ধক্ষেত্ৰত শ্ৰীকৃষ্ণই অৰ্জুনক ধ্যান আৰু যোগৰ সাধনা কৰিবলৈ জনোৱা আহ্বানক স্মৰণ কৰি আধ্যাত্মিক গুৰুগৰাকীয়ে কয়, যে মানুহৰ জীৱনটোও বৰ্তমান এক যুদ্ধক্ষেত্ৰ হৈ পৰিছে। কিয়নো বিভিন্ন চিন্তাই বৰ্তমান মানুহক উদ্বিগ্ন কৰি ৰাখে।

উল্লেখযোগ্য যে, উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে হায়দৰাবাদৰ সমীপৰ কানহা শান্তি ভানমত অনুষ্ঠিত বিশ্ব ধ্যান দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

০০০০

বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে ৱাটছএপ একাউণ্টসমূহ হেক কৰাৰ বাবে সম্প্ৰতি চলি থকা ঘোষ্ট পেয়াৰিং নামৰ এটা চাইবাৰ অভিযান সংক্ৰান্তত জনসাধাৰণলৈ সতৰ্কতা জাৰি কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি চাইবাৰ অপৰাধীয়ে কোনো ধৰণৰ পৰীক্ষণ নোহোৱাকৈ পেয়াৰিং কোড ব্যৱহাৰ কৰি ৱাটছএপৰ ডিভাইছ লিংকিং ব্যৱস্থাৰ জৰিয়তে একাউণ্টসমূহ হেক কৰা আৰম্ভ কৰিছে। জনসাধাৰণৰ চিনাকী কোনো নম্বৰৰ পৰা প্ৰথমে ফটো প্ৰেৰণ কৰা হয় আৰু ইয়াক চাবৰ বাবে অনুৰোধ জনোৱা হয়। এই মেচেজত একোটা লিংক পঠিওৱা হয়। যিবিলাক ফেচবুকৰ দৰে কোনো প্ৰিভিউৰ সৈতে প্ৰেৰণ কৰা হয় আৰু পিছৰ পৰ্যায়ত ফোন নম্বৰৰ সৈতে সংযুক্ত ভেৰিফিকেচন প্ৰক্ৰিয়াৰ দিশে লৈ যোৱা হয়। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এইদৰে চাইবাৰ অপৰাধীয়ে কোনো পাচৱৰ্ড বা চিম ছোৱেইপ নকৰাকৈ পীড়িত লোকজনৰ ৱাটছএপ একাউণ্ট সম্পূৰ্ণৰূপে হস্তগত কৰিবলৈ সক্ষম হয়। মন্ত্ৰালয়ে জনসাধাৰণক সন্দেহযুক্ত কোনো লিংকত ক্লিক নকৰিবলৈ লগতে বাহিৰা কোনো চাইটত কেতিয়াও নিজৰ ফোন নম্বৰ নিদিবলৈ পৰামৰ্শ আগবঢ়াইছে।

০০০০

কৃষি আৰু কৃষক কল্যান মন্ত্ৰী শিৱৰাজ সিং চৌহানে, সংসদৰ পৰৱৰ্তী অধিবেশনত চৰকাৰে নকল সাৰ আৰু কীটনাশকৰ সমস্যা সমাধান কৰাৰ উদ্দেশ্যে এখন বিধেয়ক উত্থাপন কৰিব বুলি প্ৰকাশ কৰিছে। ভুৱা টেগযুক্ত নকল সাৰ আৰু কীটনাশক বিক্ৰী সন্দৰ্ভতো তেওঁ উদ্বিগ্নতা প্ৰকাশ কৰে। এনে ধৰণৰ ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও শ্ৰীচৌহানে কয়। নতুন দিল্লীত আয়োজিত চৌধৰী চৰণসিং কৃষক সন্মান সন্মিলনত অংশগ্ৰহণ কৰি তেওঁ এইদৰে প্ৰকাশ কৰে। কিষাণ ট্ৰাষ্টে এই সন্মিলনৰ আয়োজন কৰিছে। মন্ত্ৰীগৰাকীয়ে চৰকাৰে এনে ধৰণৰ অসাধু ব্যৱসায়ীৰ ক্ষেত্ৰত ব্যাপক ব্যৱস্থা গ্ৰহণ কৰি আহিছে বুলিও উল্লেখ কৰে। ভাষণত শ্ৰীচৌহানে শেহতীয়াকৈ গ্ৰহণ কৰা বিকশিত ভাৰত গ্ৰামীন ৰোজগাৰ যোজনাৰ জৰিয়তে ১০০ দিনৰ পৰা ১২৫ দিনলৈ নিশ্চিত নিয়োগৰ বিষয়েও উল্লেখ কৰে।

০০০০

চিনেমা এবিধ অত্যন্ত শক্তিশালী সাংস্কৃতিক মাধ্যম। এই মাধ্যমক প্ৰাকৃতিক পৰিৱেশ আৰু বন্যপ্ৰাণীৰ বিষয়ত সজাগতা সৃষ্টিৰ বাবে উপযুক্তভাৱে ব্যৱহাৰ কৰিব পাৰি। কলকাতাত কালি অনুষ্ঠিত চিনেকাইণ্ড বঁটা প্ৰদান উৎসৱ উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা Pepole for Animalsৰ অধ্যক্ষ মানেকা সঞ্জয় গান্ধীয়ে এইদৰে মত প্ৰকাশ কৰে। দেশত সহানুভূতিশালী আৰু সামাজিক দিশৰ পৰা সজাগতা সৃষ্টিকাৰী ছবি নিৰ্মাণক উদগণি যোগোৱাৰ উদ্দেশ্যে ভাৰতীয় চলচ্চিত্ৰ নিগম এফ এফ আই আৰু Pepole for Animalsৰ উদ্যোগত এই চিনেকাইণ্ড বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। উল্লেখযোগ্য যে, এই চিনেকাইণ্ড বঁটা হ'ল এফ এফ আইৰ অধ্যক্ষ ফিৰদাওজল হাছান আৰু Pepole for Animalsৰ অধ্যক্ষ মানেকা সঞ্জয় গান্ধীৰ প্ৰচেষ্টাৰে প্ৰৱৰ্তন কৰা এনেধৰণৰ একক তথা একমাত্ৰ বঁটা।

কলকাতাত কালি আয়োজন কৰা প্ৰথম সংস্কৰণৰ চিনেকাইণ্ড বঁটা প্ৰদান অনুষ্ঠানত বন্যপ্ৰাণী সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে **মা কা দুধ** ছবিখনৰ নিৰ্মাতা ডº হৰ্ষ আত্মাকুৰিক এই বঁটাৰে সন্মানিত কৰা হয়। পৰিৱৰ্তন মুখী পৰিচালকৰ বঁটা The Land of Ahimsa ছবিখনৰ বাবে ডলী ব্যাস আহুজা আৰু আৰ্য্যমন ৰামছেক প্ৰদান কৰা হয়। পশু কল্যাণৰ প্ৰতি ছিনেমেটিক প্ৰভাৱ শিতানৰ বঁটা Keeper of the Last Herd ছবিখনৰ বাবে নিৰ্মল

বাৰ্মাক প্ৰদান কৰা হয়। এই অনুষ্ঠানতে আন ছগৰাকী ব্যক্তিকো সন্মানিত কৰা হয়। এই অনুষ্ঠানত কথাছবি নিৰ্মাণৰ সৈতে জড়িত ব্যক্তিৰ বাহিৰেও বন্যপ্ৰাণীৰ কল্যাণৰ বাবে সজাগতা সৃষ্টিৰ হকে কাম কৰি থকা বে-চৰকাৰী সংস্থা আৰু লেখক-লেখিকাকো সন্মান জনোৱা হৈছে বুলি এফ এফ আইৰ অধ্যক্ষ ফিৰদাওজল হাছানে জানিবলৈ দিয়ে। কালিৰ এই বঁটা প্ৰদান অনুষ্ঠানত পশ্চিমবংগ চৰকাৰৰ মন্ত্ৰী তথা বিশিষ্ট নাট্য শিল্পী ব্ৰাত্য বসু, প্ৰসিদ্ধ গায়ক তথা ৰাজ্যমন্ত্ৰী বাবুল সুপ্ৰিয় আৰু স্বনমধন্য অভিনেত্ৰী দেৱশ্ৰী ৰয়কে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ উদ্যোগত আয়োজিত **ফিট ইণ্ডিয়া** অনুষ্ঠানৰ অধীনত পুডুচেৰীত আজি Sundays on Cycles কাৰ্যসূচীৰ প্ৰথম বাৰ্ষিকী উদযাপন কৰা হয়। এই উপলক্ষে যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ মন্ত্ৰী মনসুখ মন্দাভিয়াৰ নেতৃত্বত আয়োজন কৰা এটা চাইকেল সমদল পুডুচেৰীৰ উপ ৰাজ্যপাল কে কৈলাশনাথন আৰু ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন ৰংগাস্বামীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰে।

পুডুচেৰীৰ বীচ্চ ৰোডৰ পৰা উলিওৱা এই চাইকেল শোভাযাত্ৰাত অংশগ্ৰহণকাৰীসকলে মহানগৰখনৰ মূল পথসমূহেৰে গৈ, চাইকেল চলোৱাক নিয়মীয়া অভ্যাসত পৰিণত কৰাৰ ফলত হোৱা উপকাৰসমূহৰ বিষয়ে সজাগতা সৃষ্টিৰ প্ৰয়াস কৰে। পুডুচেৰী বিধানসভাৰ অধ্যক্ষ আৰ. ছেলৱম, ৰাজ্য চৰকাৰৰ গৃহমন্ত্ৰী এ. নমছিৱায়ম, মুখ্য সচিব ড° শৰৎ চৌহান, খেলৰত্ন বঁটাৰে সন্মানিত পি আৰ ৰাজেশ আৰু শৰৎ কমলকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০

পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খানে টুছাখানা দুৰ্নীতি গোচৰত পত্নী বুচৰা বিবি আৰু তেওঁক ১৭ বছৰৰ কাৰাদণ্ড বিহাৰ বিৰুদ্ধে দেশজুৰি প্ৰতিবাদ সাব্যস্ত কৰিবলৈ তেওঁৰ সমৰ্থকসকলৰ প্ৰতি আহ্বান জনাইছে। পাকিস্তান তেহৰিক এ ইনচাফ পাৰ্টীয়ে প্ৰকাশ কৰা অনুসৰি প্ৰতিবাদী কাৰ্যসূচী আৰম্ভ হোৱাৰ পূৰ্বে সকলো প্ৰান্ততে প্ৰস্তুতি সংক্ৰান্তীয় নিৰ্দেশ জাৰি কৰিছে। এই প্ৰতিবাদী কাৰ্যসূচী ইমৰান খানৰ নিৰ্দেশত আৰম্ভ কৰা হৈছে বুলি দলটোৱে প্ৰকাশ কৰিছে। ইমৰান খান আৰু তেওঁৰ পত্নীক চৌদি চৰকাৰে ২০২১ চনত চৰকাৰীভাৱে প্ৰদান কৰা উপহাৰৰ ক্ষেত্ৰত জালিয়াতি কৰা বুলি তেওঁলোকক টুছাখানা দুৰ্নীতি গোচৰত অভিযুক্ত কৰা হৈছিল।

০০০০

ভাৰত আজি ডুবাইৰ আই চি চি একাডেমী গ্ৰাউণ্ডত অনুষ্ঠিত পুৰুষৰ ১৯ বছৰ অনুৰ্ধ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। এই বাতৰি যুগুতোৱাৰ পৰলৈকে পাকিস্তানে ৪৪ অভাৰ ২ টা বলত ৫ টা উইকেটৰ বিনিময়ত ৩১৬ ৰান কৰি খেলি আছে। ইয়াৰ পূৰ্বে টছত জিকি ভাৰতে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। ছেমিফাইনেলত ভাৰতে শ্ৰীলংকাক ৮ উইকেটত আৰু পাকিস্তানে যোৱাবাৰৰ বিজয়ী বাংলাদেশক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। আয়ুষ মহাত্ৰে নেতৃত্বাধীন ভাৰতীয় দলটোৱে এইখন খেলত জয়েৰে নৱমবাৰৰ বাবে খিতাপ দখলৰ চেষ্টা চলাব।

ইপিনে, ভাৰত আৰু শ্ৰীলংকাৰ মহিলা ক্ৰিকেট দলৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি বিশাখাপট্টনমত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া সাত বজাত আৰম্ভ হ'ব। শৃংখলাৰ প্ৰথম দুখন খেল বিশাখাপট্টনমত আৰু বাকী তিনিখন খেল তিৰুৱনন্তপুৰমত অনুষ্ঠিত হ'ব।

০০০০